# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 21-08-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
*::::::::::::::::::::::::::::::::::::::*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ২০ টা মহাকাশ ষ্টাৰ্টআপৰ প্ৰতিষ্ঠাপক আৰু মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

২। আমাৰ দেশে এটা বহনক্ষম আৰু সৰ্বাত্মক ডিজিটেল ভৱিষ্যত গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় বৈদ্যুতিক আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত মোবাইল ফোন নিৰ্মাণ আঁচনি **এম পি এম এছ** মুকলি কৰে।

৪। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই দেশত চলি থকা পৰিস্থিতি আৰু এইচ ওৱান, এ ওৱান ইনফ্লুয়েঞ্জাৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। ***আৰু***

৫। বি ডব্লিঅ' এফ বেডমিণ্টন বিশ্ব ছেম্পিয়নশ্বিপত ভাৰতৰ ত্ৰিশা জল্লী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীয়ে মহিলাৰ ডাবলছ শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ২০ টা মহাকাশ ষ্টাৰ্টআপৰ প্ৰতিষ্ঠাপক আৰু মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। আলোচনাৰ সময়ছোৱাত শ্ৰীমোদীয়ে জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নীতকৰণৰ ক্ষেত্ৰত মহাকাশ প্ৰযুক্তিৰ বৃহত্তৰ কাৰ্যকাৰিতাৰ হকে পোষকতা কৰে। আমাৰ দেশৰ মহাকাশ খণ্ডই বিশ্ব পৰ্যায়ৰ প্ৰতিভা, আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান আৰু বিনিয়োগক আকৰ্ষিত কৰিব পৰাকৈ সক্ষম বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত এটা উপযুক্ত পৰিবেশতন্ত্ৰ গঢ়ি তোলাৰ পৰামৰ্শ দিয়ে যাতে সমগ্ৰ বিশ্বই মহাকাশ খণ্ডৰ কথা ভবা মাত্ৰেই ভাৰতৰ ছবিয়েই মনলৈ আহে। মহাকাশ উদ্যোগ আৰু অন্যান্য সামাজিক বিকাশ খণ্ডসমূহৰ মাজত বৃহত্তৰ সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি শ্ৰীমোদীয়ে উঠি অহা প্ৰজন্মৰ মাজত মহাকাশৰ প্ৰতি আকৰ্ষণ আৰু উৎসুকতা বঢ়োৱাৰ উদ্দেশ্যে অটল টিংকাৰিং লেব সমূহৰ কাৰ্যকাৰিতা বৃদ্ধিৰো পোষকতা কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে মহাকাশ খণ্ডৰ ষ্টাৰ্টআপসমূহৰ গুৰি ধৰোতাসকলক এই নতুন ক্ষেত্ৰখনত সাহসিকতাৰে আগবঢ়াৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

বৈঠকত ষ্টাৰ্টআপসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলে মহাকাশখণ্ডত ব্যক্তিগত অংশীদাৰিত্বৰ পথ মুকলি কৰি দিয়াৰ সিদ্ধান্তক আদৰণি জনাই কয় যে ইয়াৰ জৰিয়তে বহুতো নতুন সুযোগৰ সৃষ্টি হ'ল। তেওঁলোকে লগতে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা লাভ কৰা শক্তিশালী সহযোগিতাত আলোকপাত কৰে। ষ্টাৰ্টআপসমূহে মহাকাশখণ্ডত উচ্চাকাংক্ষী লক্ষ্য নিৰ্ধাৰণ কৰি সেই দিশত নিৰন্তৰ একনিষ্ঠতাৰে কাম কৰি থকা বুলিও তেওঁলোকে জানিবলৈ দিয়ে। আজিৰ বৈঠকত স্কাইৰুট এৰ'স্পেচ, অগ্নিকুল কচমচ, পিকচেল, ধ্ৰুৱা স্পেচ, দিগন্তৰাকে ধৰি ২০ টা মহাকাশ ষ্টাৰ্টআপৰ প্ৰতিষ্ঠাপকসকল উপস্থিত আছিল।

০০০০

আমাৰ দেশে এটা বহনক্ষম, বিশ্বাসী, উদ্ভাৱনীমূলক, শক্তিশালী আৰু সৰ্বাত্মক ডিজিটেল ভৱিষ্যত গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। পুনেত আজি BRICS ৰাষ্ট্ৰগোষ্ঠীৰ যোগাযোগ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠকৰ সামৰণি সত্ৰত মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভাৰতে ডিজিটেল খণ্ডৰ দুৰ্বলতাসমূহ

আঁতৰোৱা, বহনক্ষম ব্যৱস্থা গঢ়ি তোলা, উদ্ভাৱনক প্ৰাধান্য দিয়া আৰু সামৰ্থ্য বৃদ্ধিৰ জৰিয়তে বহনক্ষম ডিজিটেল ৰূপান্তৰকৰণৰ বাবে কেইবাটাও প্ৰয়োজনীয় পদক্ষেপৰ  প্ৰস্তাৱ হাতত লৈছে।

উল্লেখযোগ্য যে তথ্য আৰু যোগাযোগ প্ৰযুক্তি, ডিজিটেল ৰূপান্তৰ, উদ্ভাৱন আৰু সুস্থিৰ ডিজিটেল আন্তঃগাঁথনিৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে BRICS ৰ সদস্যৰাষ্ট্ৰৰ যোগাযোগ মন্ত্ৰী আৰু শীৰ্ষ প্ৰতিনিধিসকলে ৫ দিনীয়া এই বৈঠকত অংশ লৈছে। বৈঠকৰ মূল বিষয়বস্তু হৈছে সুস্থিৰ ভৱিষ্যতৰ বাবে উদ্ভাৱন, সহযোগিতা আৰু ৰূপান্তৰ। এই বৈঠকে BRICS ৰ সদস্য ৰাষ্ট্ৰসমূহক উন্নত প্ৰযুক্তি, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, ভৱিষ্যতৰ নেটৱৰ্ক, চাইবাৰ সুৰক্ষা, দক্ষতা নিৰ্মাণ আৰু সৰ্বাংগীন ডিজিটেল যোগাযোগৰ বিষয়ত মত বিনিময়ৰ বাবে এখন মঞ্চ প্ৰদান কৰিছে।

০০০০

কেন্দ্ৰীয় বৈদ্যুতিক আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীত মোবাইল ফোন নিৰ্মাণ আঁচনি এম পি এম এছ মুকলি কৰে। কেন্দ্ৰীয় কেবিনেটে যোৱা মাহত এই আঁচনিৰ বাবে বাজেটত প্ৰায় ৬২ হাজাৰ ৫০০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱত অনুমোদন জনাইছিল। আঁচনি মুকলি কৰি সংবাদ মাধ্যমক উদ্দেশ্যি দিয়া ভাষণত শ্ৰীবৈষ্ণৱে এই আঁচনি এক এপ্ৰিল ২০২৬ ৰ পৰা কাৰ্যকৰী হৈছে বুলি জানিবলৈ দিয়ে। আঁচনিৰ সময়সীমা ২০২৬-২৭ৰ পৰা ২০৩০-৩১ লৈ মুঠ ৫ বছৰৰ বাবে ধাৰ্য কৰা হৈছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে। এই আঁচনিৰ জৰিয়তে মোবাইল ফোন উৎপাদনৰ যোগান শৃংখল সুদৃঢ় কৰাৰ লগতে থলুৱা উৎপাদনৰ যোগ্যতা আৰু মানক অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলিও শ্ৰীবৈষ্ণৱে জানিবলৈ দিয়ে।

বাইট-বৈষ্ণৱ

উল্লেখযোগ্য যে ২০২৫-২৬ বিত্তীয় বৰ্ষত ন্যূনতম ১০ হাজাৰ কোটি টকাৰ বিত্তীয় লেনদেন সম্পূৰ্ণ কৰা ভাৰতত পঞ্জীভুক্ত মোবাইল ফোন নিৰ্মাণকাৰী প্ৰতিষ্ঠানসমূহ এই আঁচনিৰ বাবে যোগ্য বিবেচিত হৈছে।

০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি ৰাষ্ট্ৰীয় ৰাজধানীক বিশেষ গুৰুত্ব দি দেশত চলি থকা পৰিস্থিতি আৰু এইচ ওৱান, এ ওৱান ইনফ্লুয়েঞ্জাৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা মতে, শ্ৰীনাড্ডাই ৰাষ্ট্ৰীয় চোৰাংচোৱাগিৰি আৰু মহামাৰী বিজ্ঞানৰ পৰিস্থিতি, আই এল আই আৰু SARI ৰ প্ৰৱণতা পৰীক্ষা আৰু পৰীক্ষাগাৰৰ নিৰীক্ষণ আৰু ঋতুভিত্তিক ইনফ্লুয়েঞ্জাৰ ৰোগ ব্যৱস্থাপনাৰ বাবে স্বাস্থ্যসেৱাৰ প্ৰতিষ্ঠানসমূহৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। বৈঠকৰ সময়ত শ্ৰীনাড্ডাই ইনফ্লুয়েঞ্জাৰৰ প্ৰৱণতাৰ ওপৰত চোকা দৃষ্টি ৰখাৰ লগতে নিৰন্তৰ সতৰ্কতা, শক্তিশালী নিৰীক্ষণ আৰু সক্ৰিয় প্ৰস্তুতিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে শ্বাস প্ৰশ্বাসজনিত, পৰিস্কাৰ পৰিচ্ছন্নতা আৰু হাতৰ চাফ চিকুণতাকে ধৰি জন সচেতনতা আৰু প্ৰতিৰোধমূলক স্বাস্থ্য পদ্ধতিৰ ওপৰতো  গুৰুত্ব প্ৰদান কৰে। তেওঁ শ্বাস প্ৰশ্বাসজনিত ৰোগৰ লক্ষণ দেখা দিলে ততালিকে ব্যক্তিসকলক চিকিৎসকৰ পৰামৰ্শ লবলৈ আহ্বান জনায়। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে কয় যে পৰিস্থিতিৰ ওপৰত নিৰন্তৰ চোকা দৃষ্টি ৰখা হৈছে। মন্ত্ৰালয়ে লগতে জনাই যে এই ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল, চিকিৎসালয়, পৰীক্ষাগাৰ আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে সমন্বয় ৰক্ষা কৰি থকা হৈছে।

০০০০

কেন্দ্ৰীয় চৰকাৰে আজি ভাৰতীয় নাবিক সম্প্ৰদায়ৰ কল্যাণ আৰু সুৰক্ষা দেশৰ বাবে সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয় বুলি দোঁহাৰিছে।  আজি নতুন দিল্লীত সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতিৰ ওপৰত ভাৰতে চোকা দৃষ্টি ৰাখিছে বুলি প্ৰকাশ কৰে। ভিন ভিন বিদেশী পতাকা সম্বলিত দুখন জাহাজৰ মাজত সংঘটিত এটা ঘটনা সন্দৰ্ভত শ্ৰীজয়ছোৱালে কয়, যে ২২ গৰাকী নাৱিকৰ আটাইকেইগৰাকীয়েই সুৰক্ষিত অৱস্থাত আছে আৰু চৰকাৰে সংশ্লিষ্ট বিষয়ববীয়াৰ সৈতে নাৱিকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত নিৰন্তৰ যোগাযোগ অব্যাহত ৰাখিছে।

**বাইট-জয়চোৱাল**

০০০০

মণিপুৰৰ অভূতপূৰ্ণ সংকটৰ পিছত প্ৰায় তিনি বছৰৰ ব্যৱধানৰ অন্তত আজি ইম্ফল-ডিমাপুৰ-গুৱাহাটী পথছোৱাৰ জনসেৱা পুনৰ আৰম্ভ হৈছে। এই সেৱাৰ পুনৰ আৰম্ভণিয়ে স্বাভাৱিক জীৱনযাত্ৰা ঘুৰাই অনাৰ লগতে সংযোগ ব্যৱস্থা শক্তিশালী

কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। ২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এই পথছোৱাত দুখন বাছ আৰু ৫ খন উইংগাৰেৰে মুঠ ১২৫ জন যাত্ৰীয়ে যাত্ৰা আৰম্ভ কৰিছে। ইতিমধ্যে বাছকেইখন কুকি বসতিপ্ৰধান জিলা সেনাপতি পাৰ হৈ নাগালেণ্ডত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে চলিত মাহৰ ৮ তাৰিখে কাংপকপি ভ্ৰমণৰ সময়ছোৱাত মণিপুৰৰ মুখ্যমন্ত্ৰী জুমনাম থেমচান্দ সিঙ, উপ মুখ্যমন্ত্ৰী নেমচা কিপগেন আৰু চাইতুৰ বিধায়ক হাউ খোলেত কিবগেনে সকলো জনসাধাৰণৰ মুক্ত চলাচলৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথটো মুকলি কৰাৰ কথা ঘোষণা কৰিছিল।

০০০০

নতুন দিল্লীত চলি থকা বি ডব্লিঅ' এফ বেডমিণ্টন বিশ্ব ছেম্পিয়নশ্বিপত ভাৰতৰ ত্ৰিশা জল্লী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীয়ে মহিলাৰ ডাবলছ্ শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ইয়াৰ লগে লগে এই প্ৰতিযোগিতাত ভাৰতৰ অন্ততঃ এটা ব্ৰঞ্জৰ পদক সুনিশ্চিত হৈছে। আজি ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত ত্ৰিশা আৰু গায়ত্ৰীয়ে প্ৰতিযোগিতাৰ চতুৰ্থ বাচনিপ্ৰাপ্ত চীনৰ জিয়া ই ফেন আৰু ঝেং ছু জিয়ানৰ যুটীটোক ১৬-২১, ২১-১৫, ২১-১৩ ৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতীয় যুটীটোৱে কাইলৈ ছেমিফাইনেলত শীৰ্ষ বাচনিপ্ৰাপ্ত লিউ চেং শু আৰু টেন নিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, পুৰুষৰ ডাবলছ্ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ সাত্তিক সাইৰাজ ৰণকি ৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটীটো চীনৰ লিয়াং ৱেই কেং আৰু ৱাং চেংৰ হাতত ১৮-২১, ৯-২১ ৰ ব্যৱধানত পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ